NSD NEWS UNIT

# ALL INDIA RADIO, GUWAHATI

0000000000

Date : 23-09-2022
Time : 0705 Hrs

## ASSAMESE MORNING BULLETIN

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ মাধ্যমেৰে গুজৰাটৰ একতা নগৰত পৰিৱেশ মন্ত্ৰীসকলৰ ৰাষ্ট্ৰীয় সন্মিলন মুকলি কৰিব।

২। জাপানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী চিনজো আবেৰ টকীঅত হ'বলগীয়া অন্ত্যেষ্টিক্ৰিয়াত অংশগ্ৰহণৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ২৭ ছেপ্তেম্বৰত দেশখনলৈ যাব।

৩। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কৈছে যে ইউক্ৰেইন সংঘৰ্ষৰ গতিবিধি সমগ্ৰ বিশ্ব সম্প্ৰদায়ৰ বাবেই গভীৰ চিন্তাৰ বিষয় হৈ পৰিছে।

৪। উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেলে ইন্দোনেছিয়াৰ বালিত চলি থকা বৈঠকত বহু পক্ষবাদৰ প্ৰসাৰ তথা সংৰক্ষণৰ বাবে ব্যাপক প্ৰচেষ্টা চলাবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে।

*আৰু*

৫। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ দ্বিতীয়খন টি-টুৱেণ্টি খেল আজি নাগপুৰৰ বিদৰ্ভ ক্ৰিকেট এছ'চিয়েচন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

oooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ চাৰে ১০ বজাত ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ মাধ্যমেৰে গুজৰাটৰ একতা নগৰত পৰিৱেশ মন্ত্ৰীসকলৰ ৰাষ্ট্ৰীয় সন্মিলন মুকলি কৰিব। শ্ৰীমোদীয়ে এই উপলক্ষে অনুষ্ঠানত সমৱেত লোকসকলকো সম্বোধন কৰিব। সহযোগিতামূলক যুক্তৰাষ্ট্ৰৰ ভাবধাৰাক আগবঢ়াই নি বহুমুখী দৃষ্টিভংগীৰে প্লাষ্টিক প্ৰদূষণ হ্ৰাস কৰা, পৰিৱেশৰ বাবে জীৱনশৈলীৰ ওপৰত বিশেষ গুৰুত্ব আৰোপেৰে কাৰ্যকৰীভাৱে জলবায়ু পৰিৱৰ্তনৰ মুখামুখি হ'বলৈ ৰাজ্যিক কাৰ্যকৰী পৰিকল্পনাৰ দৰে বিষয়সমূহ সন্দৰ্ভত উন্নত আঁচনি সৃষ্টি কৰি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ মাজত অধিক সমন্বয় ঘটোৱাৰ উদ্দেশ্যে

সন্মিলনৰ আয়োজন কৰা হৈছে। তদুপৰি এই সন্মিলনত বন্যপ্ৰাণী সংৰক্ষণ আৰু পতিত ভূমিক পুনৰ ব্যৱহাৰযোগ্য কৰি তোলাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদানেৰে অৰণ্যৰ পৰিসৰ বৃদ্ধি সন্দৰ্ভত আলোচনা কৰা হ'ব।

আজি আৰম্ভ হ'বলগীয়া দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত সন্মিলনখনত প্লাষ্টিক আৰু আৱৰ্জনা নিষ্কাষণ, প্ৰদূষণ প্ৰতিৰোধ আৰু ব্যৱস্থাপনা, বন্য প্ৰাণী তথা বন পালন বিদ্যা ব্যৱস্থাপনা, জলবায়ু পৰিৱৰ্তন হ্ৰাস আদিকে ধৰি ছটা বিষয়বস্তু সন্দৰ্ভত কাইলৈ বিশেষ বৈঠক অনুষ্ঠিত হ'ব।

oooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জাপানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী চিনজো আবেৰ টকীঅত হবলগীয়া অন্ত্যেষ্টিক্ৰিয়াত অংশগ্ৰহণৰ উদ্দেশ্যে অহা ২৭ ছেপ্তেম্বৰত দেশখনলৈ যাব। নতুন দিল্লীত কালি সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰি বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ অৰিন্দম বাগছিয়ে কয় যে শ্ৰীমোদীয়ে এই ভ্ৰমণ কালত জাপানৰ প্ৰধানমন্ত্ৰী ফুমিঅ' কিছিদাক সাক্ষাৎ কৰিব। সাংবাদিকে সোধা আন এটা প্ৰশ্নৰ উত্তৰত শ্ৰীবাগছিয়ে ভাৰতীয় লোকসকলক থাইলেণ্ডত চাকৰিৰ প্ৰস্তাব গ্ৰহণৰ ক্ষেত্ৰত সাৱধান হবলৈ আহ্বান জনায়। তেওঁ কয় যে থাইলেণ্ডত চাকৰিৰ সুবিধাৰ অজুহাতত ভাৰতীয় লোকসকলক নিযুক্তি দি আই টি প্ৰতিষ্ঠানসমূহে তেওঁলোকক অবৈধভাৱে ম্যানমাৰলৈ লৈ যোৱাৰ বিষয়ে জানিব পৰা গৈছে। তেওঁ কয় যে থাইলেণ্ড আৰু ম্যানমাৰত ভাৰতে অভিযান চলোৱাৰ ফলত এনে প্ৰলোভনৰ বলি হোৱা কিছু লোকক উদ্ধাৰ কৰা হৈছে। তেওঁ লগতে কয় যে থাইলেণ্ড গৈ পোৱাৰ পাছত ভিছা লাভৰ আঁচনিয়ে নিযুক্তিৰ অনুমতি নিদিয়ে। থাইলেণ্ড আৰু ম্যানমাৰৰ ভাৰতীয় দূতাবাসে এই ক্ষেত্ৰত পৰামৰ্শাৱলী জাৰি কৰিছে আৰু বিষয়টো থাইলেণ্ড আৰু ম্যানমাৰ চৰকাৰকো জনোৱা হৈছে বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে। আনহাতে কানাডাত খালিস্তান সম্পৰ্কীয় গণভোটৰ কথা উল্লেখ কৰি মুখপাত্ৰগৰাকীয়ে ইয়াক কানাডাৰ বিদ্ৰোহী আৰু চৰমপন্থীসকলৰ অবিবেচক কাৰ্য বুলি কয়। তেওঁ কয় যে বিষয়টো কূটনৈতিকভাৱে কানাডাৰ কৰ্তৃপক্ষক অৱগত কৰোৱা হৈছে। ভাৰত চৰকাৰে এই বিষয়টো সন্দৰ্ভত কানাডাৰ চৰকাৰক হেঁচা দি যাব বুলিও শ্ৰীবাগছিয়ে প্ৰকাশ কৰে।

oooooooooo

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কৈছে যে ইউক্ৰেইন সংঘৰ্ষৰ গতিবিধি সমগ্ৰ বিশ্ব সম্প্ৰদায়ৰ বাবেই গভীৰ চিন্তাৰ বিষয়। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ইউক্ৰেইন সন্দৰ্ভত হোৱা আলোচনাত ভাষণ দি ড০ জয়শংকৰে কয় যে সংঘৰ্ষৰ পৰিস্থিতি বাস্তৱিকতে চিন্তিত হ'বলগীয়া বুলি ইতিমধ্যে পৰিগণিত হৈছে। তেওঁ কয় যে গোলকীকৰণৰ পৃথিৱীত অতি দূৰৱৰ্তী অঞ্চলতো ইয়াৰ প্ৰভাৱ অনুভূত হয়। ভাৰতে সকলো ধৰণৰ শত্ৰুতা অতি শীঘ্ৰে সমাপ্ত কৰি, আলোচনা তথা কূটনীতিৰ জৰিয়তে এই সমস্যা সমাধান হোৱাটো বিচাৰে বুলিও মন্ত্ৰীগৰাকীয়ে সজোৰে দোহাৰে।

০০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দুদিনীয়া ভ্ৰমণসূচীৰে বিহাৰলৈ যাব। শ্ৰীশ্বাহে এই ভ্ৰমণ কালত পুৰ্ণীয়া আৰু কিষাণগঞ্জত বিভিন্ন অনুষ্ঠানত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী নিতিশ কুমাৰৰ নেতৃত্বৰ জনতা দল ইউনাইটেডৰ বিজেপিৰ সৈতে মিত্ৰতা ছেদ হোৱাৰ পাছত এয়া অমিত শ্বাহৰ প্ৰথম বিহাৰ ভ্ৰমণ হ'ব। গৃহমন্ত্ৰীগৰাকীয়ে আজি পুৰ্ণীয়াৰ ৰংভূমি মৈদানত এটা জনভাৱনা সমদলত সম্বোধন কৰিব। বিহাৰ বিজেপিৰ সভাপতি সঞ্জয় জয়ছোৱালে কৈছে যে ৰাজ্যখনৰ পৰিৱৰ্তিত ৰাজনৈতিক প্ৰেক্ষাপটৰ মাজত অমিত শ্বাহৰ এই ভ্ৰমণ গুৰুত্বপূৰ্ণ হ'ব। জনসাভাত সম্বোধন কৰাৰ অন্তত শ্ৰীশ্বাহে কিষাণগঞ্জত বিজেপিৰ কাৰ্যকৰ্তাসকলৰ সৈতে মিলিত হ'ব।

০০০০০০০০০০

উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেলে ইন্দোনেছিয়াৰ বালিত চলি থকা বৈঠকত বহু পক্ষবাদৰ প্ৰসাৰ তথা সংৰক্ষণৰ বাবে ব্যাপক প্ৰচেষ্টা চলাবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। জি-টুৱেণ্টি বাণিজ্য বিনিয়োগ আৰু উদ্যোগ মন্ত্ৰী পৰ্যায়ৰ বৈঠকত তেওঁ এই মত প্ৰকাশ কৰে। তেওঁ কয় যে বহু পক্ষবাদ বিপন্ন হ'লে বিশ্বত আলোচনা তথা কূট নীতিক সংবৰ্ধন কৰাৰ বাবে অধিক মঞ্চ নাথাকিব আৰু ইয়াৰ ফলত বাণিজ্যিক ক্ষেত্ৰত সমস্যাই দেখা দিব। মন্ত্ৰীগৰাকীয়ে ইন্দোনেছিয়াৰ অধ্যক্ষতাত নিৰপেক্ষ, স্বচ্ছ আৰু নিয়মভিত্তিক বহুপক্ষীয় বাণিজ্য ব্যৱস্থাৰ বাবে সকলো ৰাষ্ট্ৰৰ সামূহিক প্ৰতিশ্ৰুতিক প্ৰতিফলিত কৰা ঐক্যমত ভিত্তিক পৰিণতিত উপনীত হ'বলৈ চলাই থকা প্ৰচেষ্টাত ভাৰতে দৃঢ়ভাৱে সহমত পোষণ কৰিছে বুলি মত প্ৰকাশ কৰে।

০০০০০০০০০০

প্ৰধানমন্ত্ৰীৰ নিৰ্বাচিত ভাষণৰ এখন সংকলন আজি নতুন দিল্লীৰ আকাশবাণী ভৱনত মুকলি কৰা হ'ব। **সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস - প্ৰাইমমিনিষ্টাৰ নৰেন্দ্ৰ মোদী স্পীক্‌ছ** শীৰ্ষক গ্ৰন্থখনে প্ৰধানমন্ত্ৰী মোদীৰ এখন নতুন ভাৰতৰ পৰিকল্পনাক প্ৰতিফলিত কৰিব। উদ্বোধনী অনুষ্ঠানত কেৰালাৰ ৰাজ্যপাল আৰিফ মহম্মদ খান, প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডু, তথ্য আৰু সম্প্ৰচাৰ অনুৰাগ ঠাকুৰ তথা মন্ত্ৰ্যালয়ৰ সচিব অপূৰ্ব চন্দ্ৰৰ লগতে অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকিব। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়ৰ প্ৰকাশন বিভাগৰ দ্বাৰা এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। গ্ৰন্থখনে জন অংশীদাৰিত্বৰ জৰিয়তে এখন নতুন ভাৰতৰ বাবে থকা মানুহৰ আশা-আকাংক্ষাক প্ৰতিফলিত কৰিছে। নতুন ভাৰতৰ প্ৰত্যাহ্বানসমূহক সুযোগলৈ পৰিৱৰ্তন কৰাৰ সক্ষমতা থকাৰ লগতে দেশখন আত্মনিৰ্ভৰশীল আৰু শক্তিশালী হ'ব। গ্ৰন্থখনত ২০১৯ চনৰ মে' মাহৰ পৰা ২০২০ চনৰ মে'লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৮৬টা বিশেষ ভাষণ সন্নিৱিষ্ট কৰা হৈছে। ভাষণসমূহ আত্মনিৰ্ভৰ ভাৰত- অৰ্থনীতি, জনসাধাৰণ- প্ৰথম প্ৰশাসন, কোৱিড-১৯ যুঁজ, প্ৰগিতশীল ভাৰত- বৈদেশিক পৰিক্ৰমা, জয় কিষাণ আদিকে ধৰি ১০টা বিষয়ত বিভক্ত কৰা হৈছে। গ্ৰন্থখন হিন্দী আৰু ইংৰাজীত মুকলি কৰা হ'ব। গ্ৰন্থখন দেশজুৰি থকা প্ৰকাশন বিভাগৰ বিপণীসমূহত তথা নতুন দিল্লীৰ চুচনা ভৱনৰ গ্ৰন্থ বিথিকাত উপলব্ধ হ'ব। তদুপৰি ভাৰত কোষ মঞ্চ আৰু প্ৰকাশন বিভাগৰ ৱেবছাইটৰ জৰিয়তে অনলাইন পদ্ধতিৰেও গ্ৰন্থখন ক্ৰয় কৰিব পৰা যাব। গ্ৰন্থখন ই-বুক আকাৰে এমাজন আৰু গুগুল প্লেটো উপলব্ধ হ'ব।

০০০০০০০০০০০

বিশ্ব স্বাস্থ্য সংস্থাৰ মুৰববীয়ে কালি কয় যে কোৱিড-১৯ মহামাৰীৰ প্ৰভাৱ কমাটোৱে এই ৰোগ নিৰ্মূল হোৱাটো বুজোৱা নাই। অৱশ্যে এই মহামাৰীত বিশ্বজুৰি মৃত্যুৰ হাৰ হ্ৰাস হোৱাৰ ফলত বৰ্তমান সমগ্ৰ বিশ্বই পূৰ্বতকৈ এটি সুৰক্ষিত স্থিতিত উপনীত হৈছে। বিশ্ব স্বাস্থ্য সংস্থাৰ সঞ্চালকপ্ৰধান টেড্ৰছ ঘেব্ৰিয়াছ'ছে কালি নিউয়ৰ্কৰ ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ বৈঠকৰ সুযোগতে সংবাদ মাধ্যমৰ আগত কয় যে কোৱিড-১৯ত এটা সপ্তাহত মৃত্যু হোৱা লোকৰ সংখ্যা ক্ৰমাগতভাৱে হ্ৰাস পোৱাটো অব্যাহত আছে। ২০২১ চনৰ জানুৱাৰী মাহত এই মহামাৰীয়ে ত্ৰাসৰ সৃষ্টি কৰাৰ সময়ছোৱাতকৈ সম্প্ৰতি এই হাৰ কেৱল ১০ শতাংশতে সীমিত হৈ আছে। তেওঁ কয় যে সম্প্ৰতি বিশ্বৰ মুঠ জনসংখ্যাৰ দুই-তৃতীয়াংশ লোকক প্ৰতিষেধক

প্ৰদান কৰা হৈছে। বিশ্বৰ বিভিন্ন দেশত এই ৰোগৰ সংক্ৰামণৰ হাৰ ভিন্ন যদিও ভাইৰাছবিধে এতিয়াও কম পৰিমাণে জনসাধাৰণক আক্ৰান্ত কৰিবলৈ সমৰ্থ হৈছে।

০০০০০০০০০০

অসমত কোৰিডৰ সংক্ৰমণ ক্ৰমাৎ হ্ৰাস পাইছে। ৰাজ্যখনত কালিৰ দিনটোত এহেজাৰ ৬২৩জন লোকৰ নমুনা পৰীক্ষাৰ অন্তত ২৩ জনৰ দেহত কোৰিড-১৯ৰ সংক্ৰমণ ধৰা পৰে। ইয়াৰে ভিতৰত  কামৰূপ মহানগৰ জিলাৰ ৬ জন লোক আছে।  সেই অনুসৰি সংক্ৰমণৰ হাৰ হৈছে ১ দশমিক ৪-২ শতাংশ। ৰাজ্যখনত বৰ্তমান কোৰিডৰ পৰা আৰোগ্যৰ হাৰ হৈছে ৯৮ দশমিক ৫-৬ শতাংশ হৈছে।

০০০০০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ দ্বিতীয়খন টি-টুৱেণ্টি খেল আজি নাগপুৰৰ বিদৰ্ভ ক্ৰিকেট এছ'চিয়েচন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। যোৱা মংগলবাৰে মোহালীত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত অষ্ট্ৰেলিয়াই ভাৰতক ৪ উইকেটত পৰাস্ত কৰি শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰিছিল। অষ্ট্ৰেলিয়াই আজিৰ খেলখনত জয়েৰে এই ব্যৱধান ২-০লৈ বৃদ্ধি কৰিবলৈ চেষ্টা চলাব। ইপিনে, ভাৰতেও শৃংখলাত সমতা স্থাপনৰ উদ্দেশ্যে আপ্ৰাণ চেষ্টা কৰিব।

০০০০০০০০০০

(সমাপ্ত)